# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 08-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক কালি পৰ্টুগালৰ লিছবন চহৰৰ সন্মানীয় KEY OF HONOUR প্ৰদান কৰা হয়।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ব্ৰিটেইন আৰু অষ্ট্ৰিয়ালৈ ছদিনীয়া আনুষ্ঠানিক ভ্ৰমণসূচীৰে কালি সন্ধিয়া লণ্ডনত উপস্থিত হৈছে।

৩। জলসম্পদ মন্ত্ৰী চি আৰ পাটিলে বান্ধৰ সুৰক্ষাৰ দিশটো মানৱ সুৰক্ষা, পৰিৱেশ তন্ত্ৰ সংৰক্ষণ আৰু ৰাষ্ট্ৰীয় স্থিতিস্থাপকতাৰ প্ৰতি দায়বদ্ধ দৃষ্টিৰে চাব লাগে বুলি প্ৰকাশ কৰে।

৪। সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ উপ-প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী আৰু ডুবাইৰ যুৱৰাজ শ্বেইখ হামদান বিন মহম্মদ আল মাকট'মে আজি দুদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক কালি পৰ্টুগালৰ লিছবন চহৰৰ সন্মানীয় KEY OF HONOUR প্ৰদান কৰা হয়। এই প্ৰতীকি সন্মান লিছবনৰ মেয়ৰ কাৰল'ছ মেয়দাছে ঐতিহাসক কামাৰা মিউনিচিপাল ডি লিছ'বুৱাত আনুষ্ঠানিকভাৱে প্ৰদান কৰি ৰাষ্ট্ৰপতিগৰাকীক দেশখনৰ এগৰাকী সন্মানীয় নাগৰিক হিচাপে স্বীকৃতি দিয়ে। **লিছবন চহৰৰ ছাবি** হৈছে লিছবন চহৰৰ সৰ্বোচ্চ সন্মান। সমাৰোহত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে পৰ্টুগালত বাস কৰা ভাৰতীয়সকল দেশখনৰ চতুৰ্থ বৃহৎ সম্প্ৰদায় আৰু এই সম্প্ৰদায়ে দুয়োখন দেশৰ সংস্কৃতিৰ মাজত সমন্বয়ৰ সেতু হিচাপে সেৱা আগবঢ়োৱাৰ লগতে দেশত অৰ্থনীতিলৈও বৰঙণি আগবঢ়াই আহিছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে ভাৰত আৰু পৰ্টুগালৰ মাজৰ সাংস্কৃতিক সম্পৰ্কৰ প্ৰভাৱ আমাৰ সংস্কৃতি, সভ্যতা আৰু যোগাসনৰ দৰে কলাৰ বিভিন্ন মাধ্যমত দেখা যায়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে ২০৪৭ চনত বিকশিত ভাৰত গঢ়াৰ লক্ষ্যৰে আৰু বাসুধৈৱা কুটুমবাক্ম দৃষ্টিৰে আমি এখন বহনক্ষম পৃথিৱী গঢ়ি তোলাৰ স্বাৰ্থত একেলগে কাম কৰিব লাগিব। এই যাত্ৰাত পৰ্টুগাল ভাৰতৰ বাবে নিৰ্ভৰযোগ্য সহযোগী বুলিও তেওঁ মত প্ৰকাশ কৰে।

পৰ্টুগাল ভ্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত ৰাষ্ট্ৰপতিগৰাকী শ্লোভাকিয়ালৈ ৰাওনা হ'ব। কাইলৈ আৰু পৰহিলৈ দুদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীমতী মুৰ্মুৱে শ্লোভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰিণি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ শ্লোভাকিয়া ভ্ৰমণে ভাৰত আৰু শ্লোভাকিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে সম্প্ৰসাৰিত কৰিব। পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ জৰিয়তে ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী হ'ব বুলিও আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ছদিনীয়া ব্ৰিটেইন আৰু অষ্ট্ৰিয়ালৈ আনুষ্ঠানিক ভ্ৰমণসূচীৰে কালি সন্ধিয়া লণ্ডনত উপস্থিত হৈছে। শ্ৰীমতী সীতাৰমণে সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ লণ্ডনত উপস্থিত হোৱাৰ কথা প্ৰকাশ কৰে। দেশখনত থকা ভাৰতীয় উচ্চায়ুক্ত বিক্ৰম ডৰাইস্বামীয়ে শ্ৰীমতী সীতাৰমণক হিথ্ৰ' বিমান বন্দৰত আদৰণি জনায়। বিত্তমন্ত্ৰীগৰাকীয়ে আজি লণ্ডনত থকা ভাৰতীয় উচ্চায়ুক্তৰ কাৰ্যালয়ত লণ্ডন স্কুল অৱ ইক'নমিকছৰ সহযোগত হ'বলগীয়া এটা বাৰ্তালাপ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰীমতী সীতাৰমণে এই ভ্ৰমণকালত দুয়োখন দেশৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিপাক্ষিক বৈঠকতো অংশগ্ৰহণ কৰিব। বিত্ত মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি শ্ৰীমতী সীতাৰমনে কাইলৈ ত্ৰয়োদশ ভাৰত- ব্ৰিটেইন মন্ত্ৰী পৰ্যায়ৰ অৰ্থনৈতিক আৰু বিত্তীয় আলোচনাত ব্ৰিটেইনৰ বিত্ত মন্ত্ৰী চেঞ্চেলৰ ৰাচেল ৰিভছৰ সৈতে অংশগ্ৰহণ কৰিব।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ২৫ হাজাৰ কোটি টকাৰ প্ৰস্তাৱিত সামুদ্ৰিক উন্নয়ন পুঁজিৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত ভাৰতৰ সামুদ্ৰিক খণ্ডত ডেৰ লাখ কোটি টকাৰ বিনিয়োগ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে । তেঁও লগতে কয় যে এই পুঁজিয়ে জাহাজ নিৰ্মাণ, জাহাজ মেৰামতি আদিকে ধৰি দেশৰ অভ্যন্তৰীণ জলপথৰ প্ৰসাৰত উল্লেখনীয় অৱদান আগবঢ়াব। কালি সন্ধিয়া কোঁচিত চৰকাৰৰ সেউজীয়া জাহাজ স্থানান্তৰকৰণৰ এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি সোণোৱালে এইদৰে কয়। তেঁও লগতে কয় যে সামুদ্ৰিক উন্নয়ন পুঁজিয়ে হাজাৰ হাজাৰ নিবনুৱাৰ বাবে চাকৰিৰ সুযোগ সৃষ্টি কৰিব, ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ বৃদ্ধি কৰিব, বিদেশী নিৰ্ভৰশীলতা হ্ৰাস কৰিব আৰু ৰাষ্ট্ৰীয় সামুদ্ৰিক নিৰাপত্তা বৃদ্ধি কৰিব। তেওঁ উল্লেখ কৰে যে সামুদ্ৰিক খণ্ডক কাৰ্বনমুক্ত কৰাৰ লক্ষ্যৰে স্বচ্ছ প্ৰযুক্তি গ্ৰহণৰ প্ৰচেষ্টাৰ অংশ হিচাপে বন্দৰসমূহত বৰ্তমানৰ জাহাজসমূহৰ ঠাইত অধিক পৰিৱেশ অনুকূল সেউজীয়া জাহাজ ব্যৱহাৰ কৰা হব। দেশৰ প্ৰধান বন্দৰসমূহত ১৬খন সেউজীয়া জাহাজ নিয়োগ কৰাৰ পৰিকল্পনা কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জাহাজ নিৰ্মাণৰ ক্ষমতা যথেষ্ট বৃদ্ধি কৰিব পৰা এটা অত্যাধুনিক যন্ত্ৰও উদ্বোধন কৰে।

ooooo

জলশক্তি মন্ত্ৰী চি আৰ পাটিলে কয় যে বান্ধৰ সুৰক্ষা সম্পৰ্কীয় দিশটো মানৱ সুৰক্ষা, পৰিৱেশ তন্ত্ৰ সংৰক্ষণ, আৰু ৰাষ্ট্ৰীয় স্থিতিস্থাপকতাৰ প্ৰতি দায়বদ্ধতা হিচাপেহে চাব লাগে। তেওঁ জোৰ দি কয় যে সকলো নিৰ্দিষ্ট বান্ধৰ মালিকে নিয়ম অনুসৰি পৰ্যাপ্ত ধন আবণ্টন দিব লাগিব আৰু বিশ্বৰ উত্তম পদ্ধতিসমূহ ব্যৱহাৰ কৰাৰ লগতে সুৰক্ষা সুনিশ্চিত কৰিবলৈ উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ কৰিব লাগিব। কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় বান্ধ সুৰক্ষা প্ৰাধিকৰণে আয়োজন কৰা “বান্ধ সুৰক্ষা আইন, ২০২১: সংহত বান্ধ সুৰক্ষা ব্যৱস্থাপনাৰ দিশত” শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

ooooo

সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ উপ-প্ৰধানমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰী আৰু ডুবাইৰ যুৱৰাজ শ্বেইখ হামদান বিন মহম্মদ আল মাকট'মে আজি দুদিনীয়া কাৰ্যসূচীৰে ভাৰতলৈ আহিব। ডুবাইৰ যুৱৰাজ হিচাপে এয়া হ'ব তেওঁৰ প্ৰথম আনুষ্ঠানিক ভাৰত ভ্ৰমণ। তেওঁৰ সৈতে কেইবাগৰাকী মন্ত্ৰী, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু উচ্চ পৰ্যায়ৰ এটা ব্যৱসায়ীক প্ৰতিনিধিৰ দল ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিজ্ঞপ্তিত

জানিবলৈ দিছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ সন্মানাৰ্থে দুপৰীয়াৰ আহাৰৰ আয়োজন কৰিছে। ভ্ৰমণকালত তেওঁ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰিব। সন্ধিয়াৰ ভাগত তেওঁ মুম্বাইলৈ ৰাওনা হ'ব আৰু তাত তেওঁ দুয়োখন দেশৰ বিশিষ্ট ব্যৱসায়ী সকলৰ সৈতে এখন ঘুৰণীয়া মেজমেলত অংশগ্ৰহণ কৰিব। এই বাৰ্তালাপে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ আৰু ভাৰতৰ অৰ্থনৈতিক আৰু ব্যৱসায়ীক সহযোগিতা সুদৃঢ় কৰিব। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি ভাৰত আৰু দেশখনৰ মাজত ব্যৱসায়িক, সাংস্কৃতিক আৰু জনসাধাৰণৰ সৈতে জনসাধাৰণৰ সম্পৰ্কৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাৰতৰ প্ৰায় ৪৩ লাখ লোক ৰাষ্ট্ৰখনত বসবাস কৰাৰ লগতে আৰু বিভিন্ন কৰ্মত জড়িত হৈ আছে। যুৱৰাজগৰাকীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজত উমৈহতীয়া কৌশলগত অংশীদাৰিত্ব আৰু ডুবাইৰ সৈতে বহুপাক্ষিক সম্বন্ধ সুদৃঢ় কৰিব।

০০০০০

ভাৰতে বাণিজ্য ক্ষেত্ৰত সততা মানি চলা আৰু সমান সুযোগ সুবিধা আগবঢ়োৱা দেশসমূহৰ সৈতে একেলগে কাম কৰিবলৈ আগ্ৰহী বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে প্ৰকাশ কৰে। কালি সন্ধিয়া ইণ্ডিয়া গ্লোবেল ফ'ৰাম অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীগোৱেলে কয়, যে ভাৰতীয় কোম্পানীসমূহে দক্ষ আৰু ন্যায় বাণিজ্য নীতি অটুট ৰাখিলে ব্যৱসায়ত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থবান। চীনৰ ক্ৰমবৰ্ধমান উদ্যোগসমূহৰ ভেঁটি অন্যায় বাণিজ্য নীতিৰ দ্বাৰা প্ৰভাৱিত বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে আমেৰিকাই ইৰাণৰ সৈতে পাৰমাণৱিক কাৰ্যসূচী সন্দৰ্ভত প্ৰত্যক্ষ আলোচনাত মিলিত হ'ব। তেহৰাণক সতৰ্কবাণী দি ট্ৰাম্পে কয় যে আলোচনা বিফল হ'লে তেহৰাণে যথেষ্ট বিপদৰ সন্মুখীন হ'ব। কালি ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৰ সৈতে ভাষণ দি ট্ৰাম্পে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয় যে শনিবাৰৰ পৰা তেহৰাণৰে আমেৰিকাৰ আলোচনা আৰম্ভ হ'ব। তেহৰাণক পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণ কৰিবলৈ দিয়া নহ'ব বুলি ট্ৰাম্পে জোৰ দি কয়।

০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে আজি **পোষণ পখেক**ৰ সপ্তম সংস্কৰণ ৰূপায়ণ কৰিব। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ চাৰিটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই অনুসৰি শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা এই ধবজাবাহী কাৰ্যসূচীয়ে লাভ কৰা সফলতাৰ ফলত দেশৰ শিশু আৰু সন্তান সম্ভৱাসকলৰ মাজত পুষ্টিহীনতা সমস্যা হ্ৰাস পাইছে।

০০০০০

আইপিএল টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগীতাত কালি মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ২২২ ৰাণৰ

লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। খেলখনত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ২২১ৰাণ সংগ্ৰহ কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুওৱাই ২০৯ ৰাণ কৰে। ইয়াৰ পূৰ্বে টচত জিকি মুম্বাই ইণ্ডিয়ানছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছিল। আজি দিনৰ চাৰে তিনিবজাত কলকাতাৰ ইডেন গাৰ্ডেনছত হবলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰছ লক্ষ্ণৌ চুপাৰ জায়েন্টছৰ মুখামুখি হব।

পাঞ্জাবত হবলগীয়া আন এখন খেলত পাঞ্জাব কিংছে চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হব।

০০০০০

বুয়েনছ আয়াৰ্চত অনুষ্ঠিত আই এছ এছ এফ বিশ্বকাপৰ প্ৰতিযোগিতাৰ পঞ্চম দিনা মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল শিতানত নৰ্মদা নিথিন ৰাজুৱে ষষ্ঠ আৰু সোণম উত্তম মাস্কাৰে অষ্টম স্থান দখল কৰে। চীনৰ বৰ্তমানৰ জুনিয়ৰ বিশ্ব চেম্পিয়ন ৱাং জিফেইয়ে সোণৰ পদক লাভ কৰাৰ বিপৰীতে কোৰিয়াৰ কোৱান ইউঞ্জীয়ে ৰূপৰ পদক লাভ কৰে। ছুইজাৰলেণ্ডৰ অড্ৰে গগনিয়াটে ব্ৰঞ্জৰ পদক লাভ কৰে। বৰ্তমানলৈ প্ৰতিযোগীতাত দুটা স্বৰ্ণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি ভাৰত পদক তালিকাৰ দ্বিতীয় স্থানত আছে।

০০০০০

সমাপ্ত